**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 01-05-2026

**Time :** 1800 Hrs.

***Assamese Evening Bulletin***

**HEADLINE**

ooooo

১। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি আন্তৰ্জাতিক শ্ৰমিক দিৱস পালন।

২। বিধানসভা নিৰ্বাচনৰ ভোটগণনা আৰু ফলাফল ঘোষণাৰ বাবে জিলা প্ৰশাসনসমূহৰ প্ৰস্তুতি প্ৰায় সম্পন্ন।

৩। ভাষাৰ ওজা, হেমকোষ অভিধানৰ প্ৰণেতা হেমচন্দ্ৰ বৰুৱাৰ স্মৃতি দিৱসত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন।

***আৰু***

৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তত পৰম্পৰাগত ৰীতি-নীতিৰে বুদ্ধ পূৰ্ণিমা পালন।

ooooo

আজি আন্তৰ্জাতিক শ্ৰমিক দিৱস। শ্ৰমিকসকলে সমাজৰ প্ৰতি আগবঢ়াই অহা অৱদানক সন্মান জনাই সমগ্ৰ বিশ্বতে আজি আন্তৰ্জাতিক শ্ৰমিক দিৱস পালন কৰা হৈছে। আজিৰ এই দিনটো মে' দিৱস হিচাপেও পৰিচিত। অৰ্থনৈতিক আৰু সামাজিক অধিকাৰ লাভ কৰাৰ বাবে সমগ্ৰ বিশ্বৰ শ্ৰমিক সমাজৰ ত্যাগৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়। এইবেলি আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক দিৱসৰ বিষয়বস্তু হৈছে - 'কাম কৰাৰ বাবে সুস্থ মনোসামাজিক বাতাবৰণ'। এই বিষয়বস্তুৰ জৰিয়তে আধুনিক কৰ্মস্থলীত মানসিক চাপ, কামৰ হেচাৰ দৰে প্ৰত্যাহ্বান দূৰ কৰাত গুৰুত্ব আৰোপ কৰিবলৈ বিচৰা হৈছে।

সমগ্ৰ বিশ্বৰ শ্ৰমিক শ্ৰেণীৰ কল্যাণৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি পালন কৰা এই শ্ৰমিক দিৱসৰ সৈতে সংগতি ৰাখি আজিৰ দিনটোত বিভিন্ন প্ৰান্তত শ্ৰমিক সমাবেশ, আলোচনা চক্ৰ, সভা-সমিতি আদিৰ আয়োজন কৰা হৈছে।

বজালী জিলাৰ বাঘমাৰাত আজি বাঘমাৰা আঞ্চলিক শ্ৰমিক সন্থাই আন্তৰ্জাতিক শ্ৰমিক দিৱস পালন কৰে। এই অনুষ্ঠানত সন্থাৰ সভাপতি ধনপতি বড়োৱে শ্ৰমিক দিৱসৰ পতাকা উত্তোলন কৰে। শতাধিক পুৰুষ-মহিলা উপস্থিত থকা শ্ৰমিকৰ এই কাৰ্যসূচীত কেইবাজনো শ্ৰমিকক সম্বৰ্ধনা জনোৱা হয়।

অসম মজুৰি শ্ৰমিক ইউনিয়ন শিলচৰ শাখাৰ উদ্যোগত আজি শিলচৰতো শ্ৰমিক দিৱস উদযাপন কৰা হয়। চহৰখনৰ ৰাংগিৰ খাৰিৰ ভাষা শ্বহীদ স্মৃতি স্তম্ভৰ প্ৰাংগণত বিভিন্ন কাৰ্যসূচীৰে পালন কৰা শ্ৰমিক দিৱসত ভালেসংখ্যক শ্ৰমিকে অংশগ্ৰহণ কৰে।

আন্তৰ্জাতিক শ্ৰমিক দিৱস উপলক্ষে আজি দৰং-ওদালগুৰি জিলা মিস্ত্ৰী আৰু শ্ৰমিক সন্থাৰ উদ্যোগত দৰঙৰ দলগাঁৱত শ্ৰমিক দিৱসৰ আয়োজন কৰা হয়। এই উদ্দেশ্যে এটা শ্ৰমিক সজাগতা পদযাত্ৰাও উলিওৱা হয়। পদযাত্ৰাকাৰীসকলে হাতে হাতে প্লে' কাৰ্ড, বেনাৰ আদি লৈ শ্ৰমিকৰ ন্যায্যপ্ৰাপ্তিৰ বাবে আৰু শিশু শ্ৰম, বাল্যবিবাহ আদি বন্ধৰ দাবী জনাই শ্লোগান দিয়ে।

শিৱসাগৰ জিলাতো নিখিল ভাৰত শ্ৰমিক মহাসভা শিৱসাগৰ জিলা পৰিষদৰ উদ্যোগত আজি আন্তৰ্জাতিক মে' দিৱস পালন কৰা হয়। শিৱসাগৰ নগৰৰ কমিউনিষ্ট পাৰ্টি ইণ্ডিয়াৰ কাৰ্যালয়ত অনুষ্ঠিত এই অনুষ্ঠানৰ কাৰ্যসূচীত পতাকা উত্তোলনেৰে আৰম্ভ কৰা হয়।

চৰাইদেই জিলাৰ মৰাণৰ হিৰিংজান চাহ বাগিচাত আজি শ্ৰমিক দিৱস পালন কৰা হয়। অসম চাহ মজদুৰ সংঘ, অসম কৰ্মচাৰী সংঘৰ মৰাণ শাখাৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত এই দিৱসত ভালেসংখ্যক শ্ৰমিক নেতা, শিক্ষাবিদ আৰু সমাজকৰ্মীয়ে অংশগ্ৰহণ কৰে। চাহ জনগোষ্ঠীয় সংস্কৃতিৰ প্ৰতি আগবঢ়োৱা অৱদানৰ বাবে অনিতা এলপিক বঁটা প্ৰদানৰ লগতে জোন মণি নায়কক বিশেষভাবে সম্বৰ্ধনা জনোৱা হয়।

**-বাইট-(নবুল কোঁৱৰ)**

এমপ্লইজ ইউনিয়ন ডিব্ৰুগড় ৰ্ৱৰ্কশ্বপ শাখাই এন এফ ৰে'লৰে মণ্ডল চিকিৎসালয়, ডিব্ৰুগড়ৰ ৰোগীসকলৰ স্বাস্থ্যৰ খবৰ লোৱাৰ লগতে ফলমূল বিতৰণ কৰে। শ্ৰমিক দিৱসৰ এই পৱিত্ৰ দিনটোত প্ৰতিগৰাকী শ্ৰমিকৰ ত্যাগ আৰু কষ্টৰ প্ৰতি সন্মান জনাবলৈ প্ৰতিজ্ঞাবদ্ধ হয়।

ooooo

৪ মে'ত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনসমূহে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। ভোটগণনাৰ বাবে ৩৫ খন জিলাৰ মুখ্য কাৰ্য্যালয়ত মুঠ ৪০ টা কেন্দ্ৰ স্থাপন কৰা হৈছে। ভোটগণনা প্ৰক্ৰিয়া নিৰীক্ষণৰ বাবে ১২৬ জন ভোটগণনা পৰ্য্যবেক্ষক নিয়োগ কৰা হৈছে আৰু এই প্ৰক্ৰিয়াত ৫ হাজাৰ ৯৮১ গৰাকী ভোটগণনা বিষয়া আৰু ২ হাজাৰ ৩৪৭ গৰাকী মাইক্ৰ' অবজাৰ্ভাৰে সহযোগিতা আগবঢ়াব। প্ৰতিটো সমষ্টিৰ ভোটদানৰ হাৰৰ ওপৰত ভিত্তি কৰি ১৫ৰ পৰা ২৮ টা ৰাউণ্ডত ভোট গণনা কৰা হ'ব।

ভোটগণনা প্ৰক্ৰিয়া সুচাৰুৰূপে পৰিচালনা কৰাৰ লক্ষ্যৰে যোৰহাট জিলা আয়ুক্তৰ কাৰ্য্যালয়ত এটা নিয়ন্ত্ৰণ কক্ষ আৰু কল চেণ্টাৰ স্থাপন কৰা হৈছে। ভোটগণনা সন্দৰ্ভত যিকোনো তথ্য বা অভিযোগ দাখিল কৰিবলৈ জিলা প্ৰশাসনে দুটা ফোন নম্বৰো মুকলি কৰিছে। ১৮০০৩৪-৫৩৯৯৬ টোলফ্ৰি নম্বৰত অথবা ১৯৫০ত ফোন কৰি ৰাইজে অভিযোগ দাখিল কৰিব পাৰিব। নিৰ্বাচন সংক্ৰান্তীয় সকলো ধৰণৰ প্ৰশ্ন আৰু অভিযোগ ক্ষীপ্ৰতাৰে সমাধান কৰাৰ লক্ষ্যৰে জিলা প্ৰশাসনে এই ব্যৱস্থা গ্ৰহণ কৰিছে।

**কাৰ্বি আংলং** জিলাৰ তিনিটা বিধানসভা সমষ্টি – বোকাজান, ডিফু আৰু হাওৰাঘাটৰ ভোটগণনা ডিফু চৰকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত হ'ব। জিলা নিৰ্বাচনী বিষয়া আৰণ্যক শইকীয়াই ভোটগণনাত নিয়োজিত বিষয়া-কৰ্মীসকলক কালি প্ৰশিক্ষণ প্ৰদান কৰে।

শিৱসাগৰ জিলাত ৪ মে'ৰ পুৱা ৮ বজাৰ পৰা শিৱসাগৰ নগৰৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ভোটগণনা অনুষ্ঠিত হ'ব। প্ৰথমে পোষ্টেল বেলট গণনা কৰা হ'ব আৰু পুৱা চাৰে ৮ বজাৰ পৰা ই ভি এমৰ ভোটগণনা হ'ব। জিলাখনৰ প্ৰতিটো সমষ্টিৰ ভোটগণনাৰ বাবে ১৪ খন গণনা টেবলৰ ব্যৱস্থা কৰা হৈছে।

০০০০০

ভাষাৰ ওজা, হেমকোষ অভিধানৰ প্ৰণেতা হেমচন্দ্ৰ বৰুৱাৰ আজি ১৩০ সংখ্যক স্মৃতি দিৱস। হেমকোষ প্ৰণেতাগৰাকীৰ অমূল্য অৱদানৰ সশ্ৰদ্ধ সোঁৱৰণেৰে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই দিৱসৰ লগত সংগতি ৰাখি গুৱাহাটী বিশ্ববিদ্যালয়, সাদিন-প্ৰতিদিন গোষ্ঠী, ইলোৰা বিজ্ঞান মঞ্চকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰতিবছৰৰ দৰে এইবাৰো ভাষাৰ ওজাৰ প্ৰতিমূৰ্তিস্থলীত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি উপাচাৰ্য্য তথা অধ্যাপক ড০ ননী গোপাল মহন্তই ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ হিমালয় সদৃশ অৱদানৰ বিষয়ে উল্লেখ কৰে।

**-বাইট- (ননীগোপাল মহন্ত)**

অনুষ্ঠানত প্ৰতিদিন টাইমৰ পৰিচালন সঞ্চালক স্মিতাক্ষী বি গোস্বামীয়ে ভাষা ওজাৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধা নিবেদন কৰে। যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ অধ্যাপক চন্দন কুমাৰ গোস্বামীয়ে কয় যে হেমচন্দ্ৰ বৰুৱাই সেই তাহানিতে অতি কম সময়ৰ ভিতৰত হেম কোষ প্ৰস্তুত কৰাটো আশ্চৰ্য্যকৰ কৃতিত্ব। অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা তথা শিক্ষাৰ্থীসকলৰ লগতে হেমচন্দ্ৰ বৰুৱাৰ পৰিয়ালৰ উপস্থিতিত সংক্ষিপ্ত স্মৃতিচাৰণ সভা, গছপুলি ৰোপন কাৰ্যসূচী অনুষ্ঠিত হয়।

অসমীয়া ভাষা সাহিত্যৰ একনিষ্ঠ সেৱক হেমচন্দ্ৰ বৰুৱাৰ দ্বাৰা প্ৰনয়ণ কৰা হেমকোষ অভিধান তেওঁৰ মৃত্যুৰ পাছত ১৯০০ চনত প্ৰকাশ কৰা হৈছিল। তেঁওৰ জন্মদিন অৰ্থাৎ ১০ ডিচেম্বৰৰ দিনটো অন্ধবিশ্বাস আৰু কুসংস্কাৰ বিৰোধী দিৱস হিচাপে পালন কৰি অহা হৈছে।

০০০০০

সমগ্ৰ দেশতে আজি পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে পৱিত্ৰ বুদ্ধ পূৰ্ণিমা পালন কৰা হৈছে। এই দিনটোত গৌতম বুদ্ধই জন্মগ্ৰহণ কৰাৰ উপৰি জ্ঞান লাভ কৰিছিল আৰু তেওঁৰ মহা পৰিনিৰ্বাণ ঘটিছিল। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু লোকসভাৰ অধ্যক্ষ ওম বিৰলাই বুদ্ধ পূৰ্ণিমা উপলক্ষে জনসাধাৰণক ওলগ জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে তেওঁৰ বাৰ্তাত কয়, যে এই পৱিত্ৰ দিনটো পৃথিৱীলৈ ভগৱান বুদ্ধৰ আগমন, জ্ঞান প্ৰাপ্তি আৰু মহা পৰিনিৰ্বাণৰ ঐতিহাসিক ঘটনাৰ প্ৰতীক। তেওঁ কয়, যে বুদ্ধৰ অহিংসা, কৰুণা, শান্তি আৰু জ্ঞানৰ শ্বাশ্বতঃ বাণীসমূহে মানৱ জাতিক সদায় পথ প্ৰদৰ্শন কৰি যাব। অলেখ প্ৰত্যাহ্বানেৰে ভৰা বৰ্তমানৰ সময়ত ভগৱান বুদ্ধৰ শিকনিসমূহে সকলোকে শান্তি, সহিষ্ণুতা আৰু সম্প্ৰীতিৰ পথত অগ্ৰসৰ হ'বলৈ অনুপ্ৰেৰণা যোগাব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত আজিৰেপৰা পৰ্যটকৰ বাবে হাতী ছাফাৰী বন্ধ ঘোষণা কৰা হৈছে। উদ্যান কৰ্তৃপক্ষই জনোৱা মতে বাৰিষা কালৰ আগমনৰ প্ৰতি লক্ষ্য ৰাখি বন্যপ্ৰাণীৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে এই সিদ্ধান্ত লোৱা হৈছে। আজিৰেপৰা কাজিৰঙাৰ কঁহৰা আৰু বাগৰি বনাঞ্চলত হাতী ছাফাৰী সম্পূৰ্ণৰূপে বন্ধ থাকিব যদিও পৰ্যটকৰ সুবিধাৰ্থে জীপ ছাফাৰী অব্যাহত থাকিব। পৰৱৰ্তী সময়ত বান পৰিস্থিতি আৰু পথৰ অৱস্থা বিবেচনা কৰি জীপ ছাফাৰী বন্ধৰ সিদ্ধান্ত লোৱা হ'ব বুলি উদ্যান কৰ্তৃপক্ষই জনাইছে।

দৰং জিলাৰ ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্পতো আজিৰে পৰা পৰ্যটকৰ বাবে হাতী ছাফাৰী বন্ধ থাকিব। মঙলদৈ বন্যপ্ৰাণী সংমণ্ডল প্ৰাধিকাৰী তথা ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ কাৰ্যবাহী সঞ্চালকে এখন জাননীৰ জৰিয়তে এই নিৰ্দেশ দিয়ে।

ooooo

বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ ৩৫ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে আজি কোকৰাঝাৰৰ দতমাৰ থুলুংগাপুৰীত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। উপেন্দ্ৰ নাথ ব্ৰহ্ম ন্যাস আৰু সদৌ বড়ো ছাত্ৰ সন্থাৰ উদ্যোগত আৰু বি টি চি প্ৰশাসনৰ সহযোগত আয়োজন কৰা অনুষ্ঠানত বি টি চিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে অংশগ্ৰহণ কৰি ছাত্ৰ নেতাগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত এবছুৰ সভাপতি খৌৰমদাও ৰাৰী, বিটিচিৰ উপ মুখ্য কাৰ্যবাহী ৰিহণ দৈমাৰী, কাৰ্যবাহী সদস্য দেৰহাছাৎ বসুমতাৰী, সাংসদ ৰণগৌড়া নাৰ্জাৰী, বিধায়ক লৰেঞ্চ ইছলাৰীও উপস্থিত থাকে।

উল্লেখযোগ্য যে ছাত্ৰ নেতা উপেন্দ্ৰ নাথ ব্ৰহ্মই বড়োসকলৰ ৰাজনৈতিক আৰু সামাজিক বিকাশৰ ক্ষেত্ৰত যথেষ্ট অৱদান আগবঢ়াইছিল। ১৯৮৬ চনত সদৌ বড়ো ছাত্ৰ সন্থাৰ সভাপতি হিচাপে নিৰ্বাচিত হোৱা উপেন্দ্ৰ নাথ ব্ৰহ্মই পৃথক বড়ো ৰাজ্যৰ দাবী আৰু আন্দোলনৰ নেতৃত্ব দিছিল।

ooooo

দুৰ্নীতি নিবাৰক শাখাই আজি লখিমপুৰ জিলাৰ আঞ্চলিক বন বিষয়া শিৰাশীষ শান্দিল্যক উৎকোচ লোৱাৰ অভিযোগত হাতে-লোটে আটক কৰে। বিষয়াজনে ডাম্পাৰৰ গৰাকীৰ পৰা ১২ হাজাৰ টকা উৎকোচ লোৱাৰ অভিযোগ উত্থাপন হৈছিল। বিষয়াজনক আটক কৰি অভিযানকাৰী দলে তদন্ত অব্যাহত ৰাখিছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ, ডেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত যোৱা নিশা আহমেদাবাদত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুক ৪ উইকেটত পৰাস্ত কৰে।

ooooo

২০০১ চনৰ ১ মে'ত আততায়ীৰ গুলীত প্ৰাণ হেৰুওৱা ভাৰতীয় জনতা পাৰ্টীৰ কাৰ্য্যকৰ্তা জয়ন্ত দাস, বীৰেন ফুকন আৰু প্ৰশান্ত গগৈৰ সোঁৱৰণত ডিব্ৰুগড়ৰ মাণ্ডলিক কাৰ্য্যালয়ত শ্ৰদ্ধাঞ্জলি কাৰ্য্যসূচী অনুষ্ঠিত হয়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই অনুষ্ঠানত অংশগ্ৰহণ কৰি তেওঁলোকৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। এই সাহসী কৰ্মীসকলৰ কৰ্তব্যনিষ্ঠা আৰু ত্যাগ সদায় প্ৰেৰণাৰ উৎস বুলি তেওঁ ভাষণত উল্লেখ কৰে। এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত মন্ত্ৰী প্ৰশান্ত ফুকনৰ লগতে বিজেপিৰ কেইবাগৰাকীও কাৰ্য্যকৰ্তাই অংশগ্ৰহণ কৰে।

ooooo

সমাপ্ত